# বৰ্ণানাতীত

খামমুন ফুকন
৯৬১৩২-৬৯৫৭৭

সুখৰ সংজ্ঞা বিচাৰি মই দুখৰ দুৱাৰডলিত
হাউলি পৰা হুমুনিয়াহ এটাত শোক এটা এচুক হৈ ৰৈ থকা দেখি
মই থৰ লাগি চালো
বাট হেৰুওৱা পথিক এজনৰ পৰা
ঠিকনা এটা লৈ আগবাঢ়ি গ'লো...

সুখৰ দুৱাৰ কেনি?
চকুলোৰে বাট ঢাকি
তেওঁ আঙুলিয়াই দেখুৱালে
সেমেকা ডাৱৰ এচপৰা
মই উভতি আহি দেখিলো
আইৰ কোলাত টোপনি যোৱা
সাঁথৰহে যেন ভাগৰুৱা জোন এটা। □